# REGIONAL NEWS UNIT
AKASHVANI GUWAHATI
0000000000

**Date : 21 -06-2025**
**Time : 21-25 Hrs**

## ASSAMESE NIGHT BULLETIN
:::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিটিআৰৰ অন্তৰ্গত চিৰাং আৰু বাক্সাত একোখনকৈ জিলা কাৰাগাৰ উদ্বোধন কৰে। চিৰাঙত জিলা কাৰাগাৰ উদ্বোধন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে কেইটামান বছৰত বিটিআৰত উন্নয়ন আৰু বিকাশে নৱ ৰূপ লাভ কৰিছে। তেওঁ কয় যে বিটিআৰ এলেকাত সকলো জাতি জনগোষ্ঠীৰ লোক সমন্বয়ৰ বান্ধোনেৰে বান্ধ খাইছে। সুশৃংখলিত শাসন ব্যৱস্থাৰ বাবে এয়া সম্ভৱ হৈছে বুলি ড° শৰ্মাই মন্তব্য কৰে। তেওঁ কয়, যে ৰাজ্যৰ দুখীয়া দৰিদ্ৰ শ্ৰেণীকে ধৰি সকলো শ্ৰেণীৰ উন্নয়নৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে নিৰন্তৰ কাম কৰি আহিছে। ১০ চেপ্তেম্বৰৰ পৰা অৰুনোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ জৰিয়তে ৪০ লাখ পৰিয়ালক সামৰি লোৱা হব বুলি তেওঁ ঘোষণা কৰে। তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত আগষ্ট মাহৰ পৰা ১০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব আৰু পহিলা অক্টোবৰৰ পৰা ৰেচন কাৰ্ড থকা পৰিয়ালসমূহে বজাৰ মূল্যতকৈ কম দামত চেনী, দাইল আৰু নিমখ লাভ কৰিব। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থীসকলক উপকৃত কৰিব পৰাকৈ অক্টোবৰৰ পৰা ৩০০ টকাকৈ প্ৰদান কৰা হব বুলি তেওঁ জানিবলৈ দিয়ে।

বাক্সা জিলাৰ কাৰাগাৰ উদ্বোধনী সভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয় যে বি টি আৰ অঞ্চলৰ ৫ খন জিলাৰ সম উন্নয়নত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। তেওঁ কয়, যে তামুলপুৰলৈ যাবলৈ পাগলাদিয়া নদীৰ ওপৰত দুখনকৈ দলং নিৰ্মাণ কৰা হৈছে। জিলাখনৰ পথ যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ বাবে চৰকাৰে কাম কৰি আহিছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে বাক্সা জিলাত অসম মালা আঁচনিৰ প্ৰথম পৰ্যায়ৰ অধীনত কুমৰিকাটাৰ পৰা নয়াবস্তিলৈ এটা পথ নিৰ্মাণ কৰি উলিওৱা হৈছে আৰু এই আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত বৰমাৰ পৰা তামুলপুৰলৈ ২৫ কিলোমিটাৰ তথা বৰমাৰ পৰা নিকাচিলৈ ২৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ কাম চলি আছে।

০০০

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত কাইলৈৰ পৰা অম্বুবাচী মহাযোগ অনুষ্ঠিত হ'ব। কাইলৈ বিয়লি ২ বাজি ৫৬ মিনিটত অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ হ'ব। পুনৰ ২৬ জুনত নিবৃত্তিৰ লগে লগে মন্দিৰ পৰিষ্কাৰ কৰি দেৱীৰ পূজা-অৰ্চনাৰ পাছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। ইতিমধ্যে দেশী-বিদেশী ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰত উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। আইন শৃংখলা তথা তীৰ্থযাত্ৰী, ভক্তৰ সুৰক্ষাৰ বাবে মন্দিৰ চৌহদত ১২০ গৰাকী স্থায়ী সুৰক্ষা কৰ্মী, ৪০০ গৰাকী স্কাউট গাইড ১৫০ গৰাকী স্বেচ্ছাসেৱক, ২৫০ গৰাকী অস্থায়ী সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে। দেৱালয়ৰ চৌপাশে ৫০০টা চিচিটিভি কেমেৰা উপস্থাপন কৰা হৈছে। আনহাতে আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পৰা ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব। পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰ সংযোগী পথেৰে ভক্তৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। ০

০০০

অ' এন জি চিয়ে শিৱসাগৰৰ ভটিয়াপাৰত ৰীগৰ পৰা গেছ নিৰ্গমন নিয়ন্ত্ৰণ কৰাত প্ৰগতি লাভ কৰা বুলি প্ৰকাশ কৰিছে। অ' এন জি চিয়ে গেছ নিৰ্গমনৰ হাৰ যথেষ্ট হ্ৰাস পোৱা বুলি জানিবলৈ দিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশেষজ্ঞ দলে আজি নিৰ্গমনস্থলীৰ পৰিস্থিতিৰ প্ৰাৰম্ভিক মূল্যায়ন কৰে আৰু বৰ্তমানলৈ অ' এন জি চি দলে গ্ৰহণ কৰা ব্যৱস্থাৰ পৰ্যালোচনা চলায়। গেছ নিৰ্গমন ৰোধৰ  বাবে পৰৱৰ্তী ব্যৱস্থাৰ প্ৰস্তুতি গ্ৰহণ কৰা হৈছে। খাদৰ পৰা নলী আঁতৰোৱাৰ কাম আৰম্ভ হৈছে আৰু সম্প্ৰতি ৰীগৰ তলীৰ পৰা নলা আঁতৰোৱাৰ বাবে ক্ৰেন প্ৰেৰণ কৰা হৈছে।

০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ বি এডৰ প্ৰৱেশ পৰীক্ষা জি ইউ বি ই ডি চি ই টি ২০২৫, ২০ জুলাইত অনুষ্ঠিত হ'ব। অনলাইনযোগে আবেদনৰ প্ৰক্ৰিয়া ২৫ জুনৰ পৰা ৫ জুলাইলৈ মুকলি থাকিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে।

০০০

ৰাজ্যত নতুনকৈ পঞ্চায়ত গঠনৰ প্ৰক্ৰিয়া আজি আৰম্ভ হৈছে।  বজালী জিলাৰ বামুনকুছি পঞ্চায়তখনো আজি গঠন হয়। বিজেপিৰ অঞ্জনা কলিতা সভানেত্ৰী আৰু জ্যোতিষ শীল উপ সভাপতি হিচাপে নিৰ্বাচিত হৈছে।

০০০

ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে লিডছৰ হেডিংলিত অনুষ্ঠিত এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম ইনিংছত ৪৭১ ৰান সংগ্ৰহ কৰিছে।

ভাৰতে তিনিটা উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ৩৫৯ ৰান পৰা আজি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰি ৪৭১ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ লাভ কৰা ভাৰতে অপেনাৰ যশস্বী জয়ছোৱাল, অধিনায়ক শুভমন গীল আৰু উপ-অধিনায়ক ঋষভ পণ্টৰ আকৰ্ষনীয় শতকৰ সহায়ত খেলখনত আধিপত্য বিস্তাৰ কৰিবলৈ সমৰ্থ হয়, যদিও ঘৰুৱা দল ইংলেণ্ডে কম সময়তে উইকেট দখল কৰি আলহী দলটোক অনুসৰণ কৰিব পৰা স্কোৰত সীমিত ৰাখে। ঋষভ পণ্টে আজিৰ শতকেৰে এম এছ ধোনীক চেৰ পেলাই টেষ্ট ক্ৰকেটৰ ইতিহাসত সৰ্বাধিক শতক অৰ্জন কৰা ভাৰতীয় উইকেট কীপাৰ ৰূপে

পৰিগণিত হয়। ঋষভ পণ্টে বৰ্তমানলৈকে ৭টা শতক অৰ্জন কৰিছে। ইংলেণ্ডৰ হৈ বেন ষ্টʼকছ্ আৰু জোছ্ টাঙে ৪ টাকৈ উইকেট দখল কৰে।

প্ৰত্যুত্তৰত ইংলেণ্ডে আমালৈ বাতৰি অহাৰ পৰলৈকে এটা উইকেট হেৰুৱাই ৮৬ ৰান সংগ্ৰহ কৰি খেলি আছিল।

ooo

সমাপ্ত